# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-10-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে **সুস্থ নাৰী শক্তিশালী পৰিয়াল** অভিযানক সফল কৰি তুলিবলৈ অক্লান্তভাৱে কাম কৰা সকলোৰে প্ৰচেষ্টাক প্ৰশংসা কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৬ৰ ৩১ মাৰ্চৰ ভিতৰত বাওপন্থী উগ্ৰবাদৰ পৰা ভাৰতক মুক্ত কৰাৰ সংকল্পৰ কথা পুনৰবাৰ প্ৰকাশ কৰিছে।

৩। ইজৰাইলে বিগত ১২ ঘণ্টাত গাজাত চলোৱা আক্ৰমণত ২০ জন লোকে প্ৰাণ হেৰুৱাইছে।

৪। বি চি চি আয়ে আসন্ন অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে।

***আৰু***

৫। ভাৰতে আজি আহমেদাবাদত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টত ৱেষ্ট ইণ্ডিজক এক ইনিংছ আৰু ১৪০ ৰানত পৰাস্ত কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **সুস্থ নাৰী শক্তিশালী পৰিয়াল** অভিযানক সফল কৰি তুলিবলৈ অক্লান্তভাৱে কাম কৰা সকলোৰে প্ৰচেষ্টাক প্ৰশংসা কৰিছে। নৰেন্দ্ৰ মোদীয়ে এই অভিযানত মানুহৰ অংশগ্ৰহণৰ কথা উল্লেখ কৰি এই কাৰ্যই মানুহৰ জীৱন ধাৰণৰ প্ৰণালী উন্নত কৰাৰ লগতে এখন সুস্থ-শক্তিশালী সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলিও উল্লেখ কৰে। অভিযানৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডায় কয়, যে **সুস্থ নাৰী শক্তিশালী পৰিয়াল** অভিযানৰ জৰিয়তে ছয় কোটি ৫০ লাখ মহিলাৰ স্বাস্থ্য পৰীক্ষা সুকলমে সম্পন্ন হৈছে। তেওঁ লগতে কয়, যে সমগ্ৰ দেশত প্ৰায় ১৮ লাখ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিগৰাকী মহিলাক নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হৈ নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰিবলৈ আহ্বান জনায়।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধাৰ অৰ্থে যোৱা ঘোষণা কৰা জি এছ টি সঞ্চয় উৎসৱ ২২ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হৈছে। পৰৱৰ্তী প্ৰজন্মৰ এই জি এছ টি সংস্কাৰে দেশৰ পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰি তুলিছে। এই সংস্কাৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ প্ৰদান কৰিছে।

চৰকাৰে পৰিবহন খণ্ডক সকাহ প্ৰদানৰ উদ্দেশ্যে ট্ৰাক আৰু ডেলিভাৰী বাহনকে ধৰি মালবাহী বাণিজ্যিক গাড়ীৰ ওপৰত আৰোপিত কৰ হ্ৰাস হৈছে। ক্ষুদ্ৰ আৰু মজলীয়া পৰিবহন ব্যৱসায়সকলৰ বাবে পৰিচালন মূল্য কম

কৰাৰ লগতে সমগ্ৰ দেশত সামগ্ৰীৰ পৰিবহন সুগম কৰি তোলাৰ উদ্দেশ্যে এই খণ্ডৰ ওপৰত আৰোপিত কৰ - পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত দেশৰ পৰিবহন আৰু মালবাহী খণ্ডই নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰোপৰি জি এছ টি হ্ৰাস কৰাৰ ফলত ট্ৰাকৰ মূলধনী ব্যয় আৰু কিলোমিটাৰে প্ৰতি প্ৰতিটন সামগ্ৰীৰ ভাড়া কমিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৬২ হাজাৰ কোটিৰো অধিক মূল্যৰ যুৱকেন্দ্ৰিক পদক্ষেপ মুকলি কৰে। যুৱ দক্ষতাৰ বাবে এটা ঐতিহাসিক পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশতে এহেজাৰ আই টি আই উন্নীতকৰণৰ বাবে পি এম সেঁতু আৰম্ভ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সমাবেশক সম্বোধন কৰি কয় যে ৰাষ্ট্ৰ নিৰ্মাণত দক্ষতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয় যে তেওঁৰ চৰকাৰে দক্ষতা আৰু উদ্ভাৱনত শক্তিশালী গুৰুত্বৰে ভৱিষ্যতৰ বাবে নেতৃত্ব দিবলৈ যুৱশক্তিক প্ৰস্তুত কৰাইছে। ভাৰত জ্ঞান আৰু দক্ষতাৰ এখন দেশ আৰু বৌদ্ধিক সামৰ্থ দেশৰ মহানতম শক্তি বুলি শ্ৰীমোদীয়ে আলোকপাত কৰে। আই টি আইসমূহ এখন আত্মনিৰ্ভৰ ভাৰতৰ কৰ্মশালা বুলিও শ্ৰীমোদীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

শ্ৰীমোদীয়ে বিহাৰৰ বাবে মুখ্যমন্ত্ৰী নিশ্চিত স্বয়ম সহায়তা যোজনাও আৰম্ভ কৰে। এই যোজনা অনুসৰি স্নাতক যুৱক-যুৱতীসকলক ২ বছৰৰ বাবে মাহিলী এহেজাৰ টকাৰ ভাট্টা প্ৰদান কৰা হ'ব। ইয়াৰপৰি প্ৰধানমন্ত্ৰীয়ে বিহাৰত জননায়ক কাপুৰী ঠাকুৰ দক্ষতা বিশ্ববিদ্যালয় উদ্বোধন কৰে। বিহাৰৰ চাৰিখন বিশ্ববিদ্যালয়ৰ নতুন শৈক্ষিক আৰু গৱেষণামূলক সুবিধাৰ আধাৰশিলা স্থাপন আৰু পাটনা এন আই টিৰ এটা নতুন চৌহদো মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ৩৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে নৱোদয় বিদ্যালয় আৰু একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ত ১২০০ দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে দক্ষতা দীক্ষান্ত সমাৰোহত আই টি আইৰ শীৰ্ষ স্থান অধিকাৰ কৰা যুৱক-যুৱতীসকলক সম্বৰ্ধনা জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিৰুপ্পুৰ কুমাৰন আৰু সুব্ৰমণিয়া শিৱাৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত তামিলনাডুৰ দুয়োগৰাকী নেতাই জনসাধাৰণৰ মাজত জাতীয়তাবাদৰ মনোভাব উদ্বুদ্ধ কৰাত প্ৰেৰণা যোগাইছিল। দুয়োগৰাকী নেতাৰ ত্যাগক স্মৰণ কৰি তিৰুপ্পুৰ কুমাৰণে জাতীয় পতাকা হাতত লৈ নিজৰ জীৱন উৎসৰ্গা কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আনহাতে সুব্ৰমণিয়া শিৱাই তেওঁৰ নিৰ্ভিক সৃষ্টিৰাজী আৰু ভাষণৰ জৰিয়তে যুৱক-যুৱতীসকলৰ মাজত সাংস্কৃতিক গৌৰৱ আৰু দেশপ্ৰেম জাগ্ৰত কৰি তুলিছিল বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়। দুয়োজন দূৰদৰ্শীৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগ জাতিটোৰ স্মৃতিত খোদিত হৈ থকাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৬ৰ ৩১ মাৰ্চৰ ভিতৰত বাওপন্থী উগ্ৰবাদৰ পৰা ভাৰতক মুক্ত কৰাৰ সংকল্পৰ কথা পুনৰবাৰ প্ৰকাশ কৰিছে। মাওবাদীসকলক হিংসাৰ পৰা আঁতৰি সমাজৰ মূল সুঁতিলৈ ঘূৰি আহিবলৈ আহ্বান জনাই তেওঁ কয়, যে সশস্ত্ৰ সংগ্ৰামৰ পথত থকা সকলে কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব। আজি ছত্তিশগড়ৰ জগদলপুৰত অনুষ্ঠিত হোৱা বস্তৰ দশেৰা লোক উৎসৱত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে

নক্সালবাদৰ সমস্যাৰ বাবে এই অঞ্চল উন্নয়নৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে অহা বছৰৰ ৩১ মাৰ্চৰ পিছত উগ্ৰপন্থীয়ে বস্তৰৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিব নোৱাৰিব বুলি তেওঁ উল্লেখ কৰে। লগতে গৃহমন্ত্ৰীগৰাকীয়ে আজি বস্তৰত গ্ৰামীন বাছ সেৱা যোজনাৰো শুভাৰম্ভণি কৰে। এই আঁচনিৰ অধীনত বস্তৰ আৰু সুৰগুজা সংমণ্ডলৰ ৩৪ টা পথত বাছ চলাচল কৰিব। এই অনুষ্ঠানতে শ্ৰী শ্বাহে চত্তিশগড় চৰকাৰৰ মহাতৰী বন্দন যোজনাৰ অধীনত বিংশ কিস্তি হিচাপে ৭০ লাখ  মহিলাৰ বেংক একাউণ্টত ৬০০ কোটিতকৈও অধিক টকা হস্তান্তৰ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বস্তৰৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মুৰব্বীসকলৰ সৈতেও মত বিনিময় কৰে।

0000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই এইছ পি জেদ ক্ৰিপ্টো কাৰেন্সি ট'কেন জালিয়াটিৰ গোচৰত অনুসন্ধান চলাই শ শ কোটি টকাৰ বৃহৎ আন্তঃৰাষ্ট্ৰীয় ছাইবাৰ জালিয়াটিৰ কথা উদঙাইছে। যোৱা কালি দিল্লীৰ এচ চি আৰ, হায়দৰাবাদ আৰু বেংগালুৰুৰ সাতটাকৈ স্থানত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই অভিযান চলাইছিল। অভিযানৰ সময়ত অভিযোগনামা দাখিল কৰা ডিজিটেল প্ৰমাণ আৰু বিত্তীয়  তথ্য লিপিবদ্ধ কৰা হৈছে। এই গোচৰত সক্ৰিয়ভাৱে জড়িত থকা পাঁচ অভিযুক্তক চি বি আয়ে গ্ৰেপ্তাৰ কৰিছে।

0000000

ইজৰাইলৰে বিগত ১২ ঘণ্টাত গাজাত চলোৱা আক্ৰমণত ২০ জন লোকে প্ৰাণ হেৰুৱাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে বোমা বৰ্ষণ ততালিকে বন্ধ কৰিবলৈ ইজৰাইলক আহ্বান জনোৱা সত্বেও দেশখনে গাজা অঞ্চলত আক্ৰমণ অব্যাহত ৰাখিছে। ইপিনে ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনী আৰু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে ডোনাল্ড ট্ৰাম্পৰ প্ৰস্তাৱৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰস্তুতি চলোৱা বুলি প্ৰকাশ কৰিছে। এই প্ৰস্তাৱত গাজাত হামাছে বৰ্তমানো পণবন্দী কৰি ৰখাসকলক মোকলাই দিয়াৰ কথা কোৱা হৈছে।

0000000

বিশিষ্ট অভিনেত্ৰী তথা বিখ্যাত নৃত্য শিল্পী সন্ধা শান্তাৰামৰ আজি মুম্বাইৰ শিৱাজী পাৰ্ক মুক্তিধামত অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন হয়। যোৱা কালি ৮৭ বছৰ বয়সত বিশিষ্ট শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। চলচ্চিত্ৰ নিৰ্মাতা ভি শান্তাৰামৰ ক্লাছিক নৱ ৰং নামৰ  চিনেমাখনৰ জৰিয়তে খ্যাতি অৰ্জন কৰিছিল। চিনেমাখনৰ **আৰে জা ৰে হুট নটখট** গীতটো বিশেষভাৱে জনপ্ৰিয় হৈ পৰিছিল। আন কেইবাখনো চিনেমা যেনে- ঝনক ঝনক পায়েল বাজে, পিঞ্জৰা আদি কেইবাখনো ছবিত অভিনয় কৰি প্ৰশংসা লাভ কৰিছিল। মহাৰাষ্ট্ৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী আশীষ শ্বেলাৰে ভাৰতীয় চিনেমা আৰু নৃত্যৰ প্ৰতি সন্ধা শান্তাৰামৰ অৱদানৰ কথা স্মৰণ কৰি  শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

0000000

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আসন্ন অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত হ'বলগীয়া তিনিখনীয়া এদিনীয়া আৰু পাঁচখনীয়া টি-২০ শৃংখলাৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে। সুভমন গীলক এদিনীয়া দলৰ অধিনায়ক হিচাপে নিয়োগ কৰা হৈছে। ৰোহিত শৰ্মা আৰু বিৰাট কোহলি দলত অন্তৰ্ভুক্ত কৰা হৈছে। সূৰ্যকুমাৰ যাদৱক টি-২০ দলৰ অধিনায়ক হিচাপে নিয়োগ কৰা হৈছে। বিচিচিআয়ে ঘোষণা কৰা এদিনীয়া দলৰ সদস্যসকলৰ ভিতৰত আছে- সুভমন গীল অধিনায়ক, ৰোহিত শৰ্মা, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ উপ-অধিনায়ক, অক্ষৰ

পাটেল, কে এল ৰাহুল- উইকেট ৰক্ষক, নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ য়াদৱ, হৰ্ষিত ৰাণা, মহম্মদ ছিৰাজ, অৰ্শদীপ সিং, প্ৰসিদ্ধ কৃষ্ণ, ধ্ৰুৱ জুৰেল- উইকেট ৰক্ষক, যশস্বী জয়ছোৱাল। ভাৰতীয় দলে অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত ১৯ৰ পৰা ২৫ অক্টোবৰৰ ভিতৰত তিনিখন এদিনীয়া খেলত আৰু ২৯ৰ পৰা ৮ নৱেম্বৰলৈ পাঁচখন টি-২০ খেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰতে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টত ৱেষ্ট ইণ্ডিজক এক ইনিংছ আৰু ১৪০ ৰানত পৰাস্ত কৰে। আলহী দলটোক প্ৰথম ইনিংছত ১৬২ ৰানতে অলআউট কৰাৰ পাছত ভাৰতে কে এল ৰাহুল, ৰবীন্দ্ৰ জাদেজা আৰু ধ্ৰুৱ জুৰেলৰ শতকৰ সহায়ত পাঁচ উইকেটৰ বিনিময়ত ৪৪৮ ৰান কৰা অৱস্থাত প্ৰথম ইনিংছ ঘোষণা কৰে আৰু প্ৰথম ইনিংছৰ আধাৰত ২৮৬ ৰানৰ অগ্ৰগতি লাভ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১৪৬ ৰানত দ্বিতীয় ইনিংছ সামৰে। শৃংখলাৰ দ্বিতীয়খন খেল ১০ অক্টোবৰৰ পৰা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত